সৰুপথাৰ মহাবিদ্যালয়

স্থাপিত ঃ ১৯৭০ চন

SARUPATHAR COLLEGE

# প্ৰতিবিম্ব ই-বাৰ্তা The Reflection

প্ৰথম বছৰ, দশম সংখ্যা,(ডিচেম্বৰ-জানুৱাৰী) ২০২৪-২৫, সৰুপথাৰ মহাবিদ্যালয়

সৰুপথাৰ মহাবিদ্যালয় প্ৰকাশন কোষৰ দ্বাৰা প্ৰকাশিত।। প্ৰথম বছৰ, দশম সংখ্যা।। মাহেকীয়া ই-বাৰ্তা, ৩১ জানুৱাৰী, ২০২৫, শুক্ৰবাৰ


## সৰুপথাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° প্ৰাপ্তি ঠাকুৰলৈ "ভাৰত গৌৰৱ বঁটা"

ডিচেম্বৰ মাহত ঘোষণা হ'ল 'ভাৰত গৌৰৱ বঁটা'। জীৱ-জন্তুৰ প্ৰতি দেখুৱাই অহা আন্তৰিকতা আৰু যত্নৰ বাবে সৰুপথাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° প্ৰাপ্তি ঠাকুৰে লাভ কৰিছে "ভাৰত গৌৰৱ বঁটা"। ৫ ফেব্ৰুৱাৰী, ২০২৫ তাৰিখে কৰ্ণাটকৰ চেডামত ভাৰতীয় সাংস্কৃতিক উৎসৱত এই বঁটা প্ৰদান কৰা হ'ব। ভাৰত বিকাশ সংগম নামৰ ৰাষ্ট্ৰীয় সংস্থাটোৱে আগবঢ়াইছে ৰাষ্ট্ৰীয় বঁটা "ভাৰত গৌৰৱ"।



ড° প্ৰাপ্তি ঠাকুৰে শৈক্ষিক, সামাজিক, সাংস্কৃতিক ক্ষেত্ৰখনৰ বিকাশ আৰু উত্তৰণৰ বাটত অগ্ৰণী ভূমিকা গ্ৰহণ কৰি আহিছে। লগতে তেওঁৰ জীৱ-জন্তুৰ প্ৰতি মহানুভৱতা, প্ৰেম, ভালপোৱাই সকলোৰে বিশেষ দৃষ্টি আকৰ্ষণ কৰিছে । বিশেষকৈ ড° ঠাকুৰে "প্ৰাপ্তি ফাউণ্ডেচন"ৰ জৰিয়তে নিজা প্ৰচেষ্টাৰে ৰাস্তাৰ কুকুৰ আৰু জীৱ-জন্তুৰ বাবে দীৰ্ঘদিন ধৰি খাদ্য যোগান ধৰাৰ লগতে চিকিৎসা-সেৱা প্ৰদান কৰি এক ব্যতিক্ৰমী নিদৰ্শন ডাঙি ধৰিছে। উল্লেখযোগ্য যে কুকুৰৰ বাবে প্ৰাপ্তি ফাউণ্ডেচনৰ উদ্যোগত এটি আশ্ৰয়গৃহ নিৰ্মাণ কৰিছে। য'ত কুকুৰবোৰক খাদ্য যোগান ধৰাৰ উপৰিও স্বাস্থ্যৰ যতন লোৱা হয়। এই আশ্ৰয়গৃহ শতাধিক কুকুৰ ৰখাৰ ব্যৱস্থা আছে।■

## সৰুপথাৰ মহাবিদ্যালয়ৰ পশু কল্যাণ সমিতিৰ উদ্যোগত প্ৰতিষেধক প্ৰদান শিবিৰ

১৯ ডিচেম্বৰ, ২০২৪ তাৰিখে সৰুপথাৰ মহাবিদ্যালয়ৰ পশু কল্যাণ সমিতিৰ উদ্যোগ তথা মহকুমা পশুপালন আৰু পশু চিকিৎসা বিভাগৰ সহযোগত পুব নাওজানৰ বেতনি অঞ্চলত এটি প্ৰতিষেধক প্ৰদান শিবিৰৰ লগতে কৃষক সজাগতামূলক সভা এখন অনুষ্ঠিত হয়। প্ৰায় ২০০ গৰাকী কৃষকে অংশগ্ৰহণ কৰা এই সভাখনত মহকুমা পশু চিকিৎসা বিষয়া শ্ৰীযুত সন্ধান হাজৰিকা, খণ্ড পশু চিকিৎসা বিষয়া উপাসনা বৰুৱা, সহকাৰী বিষয়া পবিত্ৰ শইকীয়া প্ৰমুখ্যে কেইবাগৰাকীও বিষয়ববীয়া উপস্থিত থাকে। এই শিবিৰৰ জৰিয়তে ৩৫ ঘৰ কৃষকৰ ৮৫ টা গৰুক চবকা বেমাৰৰ প্ৰতিষেধক প্ৰদান কৰা হয় আৰু কৃষকসকলৰ সৈতে বিভিন্ন ধৰণৰ বেমাৰ আৰু এইবোৰৰ প্ৰতিকাৰ সম্পৰ্কে আলোচনা কৰে। মহাবিদ্যালয়ৰ হৈ উপস্থিত থাকে সৰ্বশ্ৰী সত্যব্ৰত দত্ত, অগ্নি ছেত্ৰী, সুমন চৌধুৰী, ৰাজেশ তালুকদাৰ আৰু প্ৰীতম দত্ত। এই সমগ্ৰ কাৰ্যসূচী অতি দায়িত্ব সহকাৰে নিয়াৰিকৈ সম্পন্ন কৰাৰ বাবে সৰুপথাৰৰ শ্ৰীসুমন চৌধুৰীক মহাবিদ্যালয়ৰ পৰিয়ালবৰ্গই আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰে।■



## 'আনন্দ কুটীৰ'ৰ আনুষ্ঠানিক শুভাৰম্ভ

১২ ডিচেম্বৰ, ২০২৪ তাৰিখে সৰুপথাৰ মহাবিদ্যালয়ৰ নতুন সংযোজন 'আনন্দ কুটীৰ' (খেৰৰ ঘৰ) আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰা হয়। অসমীয়া সমাজত যেনেকৈ গৃহ প্ৰৱেশ অনুষ্ঠান আয়োজন কৰা হয়; সৰুপথাৰ মহাবিদ্যালয়তো ঠিক তেনেকৈয়ে 'আনন্দ কুটীৰ'ৰ শুভাৰম্ভ কৰা হয়।





ইতিমধ্যে ২০ নৱেম্বৰ পৰা মহাবিদ্যালয়ৰ 'আনন্দ কুটীৰ'ত তাঁতশাল পাতি আৰম্ভ কৰা হৈছে এজুঁটি গামোচা। গ্ৰাম্য জীৱনৰ এক অবিচ্ছেদ্য অংগ মাটিৰ ঘৰ। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° প্ৰাপ্তি ঠাকুৰৰ প্ৰচেষ্টাত মহাবিদ্যালয়ত অতীজৰ গ্ৰামাঞ্চলৰ মাদকতা 'আনন্দ কুটীৰ'ত লোৱাৰ এক ব্যতিক্ৰমী প্ৰয়াস কৰা হৈছে। পৰৱৰ্তী সময়ত ছাত্ৰ-ছাত্ৰী তথা আগ্ৰহীসকলৰ বাবে মহাবিদ্যালয়ত প্ৰশিক্ষণৰ ব্যৱস্থা কৰা হ'ব বুলি অধ্যক্ষই জানিবলৈ দিয়ে। অসমীয়া সমাজ জীৱনৰ বহু থলুৱা সামগ্ৰী 'আনন্দ কুটীৰ'ত উপলব্ধ কৰিছে। জুহাল, ঢাৰি, জাপি, পুৰণি দিনৰ লেম্প, কাঁহৰ বাতি-কাঁহী, বাঁহ-বেতৰ সামগ্ৰী ইত্যাদিৰ ব্যৱহাৰে অসমীয়া গ্ৰাম্য সমাজৰ এখন ছবি প্ৰতিফলিত হৈছে। ■

## সৰুপথাৰ মহাবিদ্যালয়ত ৭৬সংখ্যক গণৰাজ্য দিৱস উদযাপন

২৬ জানুৱাৰী, ২০২৫ তাৰিখে সৰুপথাৰ মহাবিদ্যালয়ত শিক্ষক, কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰী সমন্বিতে ৭৬সংখ্যক গণৰাজ্য দিৱস উদযাপন কৰা হয়। পুৱা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° প্ৰাপ্তি ঠাকুৰে ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰে। শিক্ষক, কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰী সমন্বিতে ৰাষ্ট্ৰীয় সংগীত পৰিৱেশন কৰে লগতে গণৰাজ্য দিৱসৰ উদ্দেশ্যৰে মহাবিদ্যালয়ৰ অধ্যক্ষ, উপাধ্যক্ষ, শিক্ষকসকলে বক্তৃতা প্ৰদান কৰে।

গণৰাজ্য দিৱস উপলক্ষে সৰুপথাৰ সমজিলা প্ৰশাসনে আয়োজন কৰা পেৰেড প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰে সৰুপথাৰ মহাবিদ্যালয়ৰ এন চি চি গোটে। উক্ত পেৰেড প্ৰতিযোগিতাত মহাবিদ্যালয়ৰ এন চি চি গোটে 'শ্ৰেষ্ঠ দল' আৰু ছাত্ৰ ইমন বৰাই 'শ্ৰেষ্ঠ কামাণ্ডাৰ'ৰ সন্মান লাভ কৰিবলৈ সক্ষম হয়।■

## সৰুপথাৰ মহাবিদ্যালয়ত অলিম্পিক পদক বিজয়ী লাভলীনা বৰগোহাঁই আৰু যমুনা বড়ো

১০ ডিচেম্বৰ, ২০২৪ তাৰিখে সৰুপথাৰ সমজিলাৰ উচ্চ শিক্ষাৰ প্ৰাণকেন্দ্ৰ সৰুপথাৰ মহাবিদ্যালয়ত উপস্থিত হয় অলিম্পিক পদক বিজয়ী বৰপথাৰ বাৰমুখীয়া গাঁৱৰ লাভলীনা বৰগোঁহাই। লগতে উপস্থিত থাকে মহিলা বক্সাৰ যমুনা বড়ো।



২০২০ বৰ্ষৰ টকিঅ' অলিম্পিকত ব্ৰঞ্জ পদক বিজয় সাব্যস্ত কৰি বৰপথাৰৰ লাভলীনা বৰগোহাঁয়ে বিশ্বৰ বক্সিং ৰিঙত ইতিহাস ৰচনা কৰিবলৈ সক্ষম হৈছিল। গৌৰৱ কঢ়িয়াই আনিছিল অসম তথা ভাৰতবৰ্ষলৈ। টকিঅ' অলিম্পিকত ৬৯ কেজি ওজনৰ শাখাত বক্সিং ৰিঙত খেলত অৱতীৰ্ণ হৈছিল অসম-কন্যা লাভলীনা বৰগোহাঁয়ে।

শোণিতপুৰ জিলাৰ ঢেকিয়াজুলিৰ জীয়ৰী যমুনা বড়োয়ে ২০১৯ বৰ্ষত ৰাছিয়াত অনুষ্ঠিত হোৱা বিশ্ব মহিলা বক্সিং চেম্পিয়নশ্বিপত পোন প্ৰথম বাৰৰ বাবে অংশ গ্ৰহণ কৰি ব্ৰঞ্জ পদক লাভ কৰিবলৈ সক্ষম হৈছিল। ২০২২ বৰ্ষত ইলোৰ্ডা কাপ (Elorda Cup) বক্সিংত ৰূপৰ পদক জয় কৰিবলৈ সক্ষম হৈছিল অসম-কন্যা বক্সাৰ যমুনা বড়োৱে।■

## গোলাঘাট মণ্ডলৰ 'শিক্ষক সন্মিলনত' সৰুপথাৰ মহাবিদ্যালয়লৈ শ্ৰেষ্ঠ মহাবিদ্যালয়ৰ সন্মান

ঐতিহ্যমণ্ডিত সৰুপথাৰ মহাবিদ্যায়ে বিভিন্ন সময়ত শিক্ষা, সাংকৃতিক, ক্ৰীড়াৰ দিশত সু-নাম অৰ্জন কৰিবলৈ সক্ষম হৈছে। যোৱা ইংৰাজী ২১ ডিচেম্বৰ ২০২৪ তাৰিখে হেমপ্ৰভা বৰবৰা ছোৱালী মহাবিদ্যালয়ত গোলাঘাট জিলাৰ সকলো মহাবিদ্যালয়ৰ মাজত শিক্ষক সমাৰোহ অনুষ্ঠিত হয়। অসম কলেজ শিক্ষক সংস্থাৰ গোলাঘাট মণ্ডলৰ 'শিক্ষক সন্মিলনত' শ্ৰেষ্ঠ মহাবিদ্যালয়ৰ সন্মান লাভ কৰিবলৈ সক্ষম হয় সৰুপথাৰ মহাবিদ্যালয়। বিভিন্ন খেলৰ প্ৰতিযোগিতা, সুকুমাৰ কলা আৰু সংগীত প্ৰতিযোগিতাত সৰুপথাৰ মহাবিদ্যালয়ে শ্ৰেষ্ঠ পাৰদৰ্শিতা দেখুৱাবলৈ সক্ষম হৈছে। মহাবিদ্যালয়ৰ শিক্ষক ক্ৰমে হেমন্ত গগৈয়ে শ্বটপুটত স্বৰ্ণ আৰু প্ৰেম কান্ত বৰাই ৰূপৰ পদক লাভ কৰিবলৈ সক্ষম হৈছে। মহিলা শ্বটপুটত তৃস্মিতা বৰাই সোণ আৰু অঞ্জলি যাদৱে ব্ৰঞ্জৰ পদক লাভ কৰে, দৌৰত প্ৰেমকান্ত বৰাই সোণ আৰু অঞ্জলী যাদৱে ব্ৰঞ্জৰ পদক, কবিতা আবৃত্তিত সত্যব্ৰত দত্তই সোণ আৰু একক অভিনয়ত ৰূপৰ পদক কঢ়িয়াই আনে, ৰছী টনাত পুৰুষ দলে ৰূপ আৰু মহিলা দলে ব্ৰঞ্জপদক লাভ কৰিবলৈ সক্ষম হয়। সমৱেত সংগীত প্ৰতিযোগিতাত মহাবিদ্যালয়ৰ দলটিয়ে যুটীয়া ভাৱে তৃতীয় স্থান লাভ কৰে । "যাত্ৰা অসীম অনন্ত..." এই বাণীৰে উদ্বুদ্ধ মহাবিদ্যালয়খনৰ শিক্ষক সকলৰ এই সফলতাত অধ্যক্ষ ড° প্ৰাপ্তি ঠাকুৰে সকলোকে আন্তৰিক অভিনন্দন জ্ঞাপন কৰে। মহাবিদ্যালয়ৰ শিক্ষক গোটৰ সভাপতি প্ৰশান্ত পোদ্দাৰ আৰু সম্পাদক কৃষ্ণ কোঁৱৰে মহাবিদ্যালয়ৰ শিক্ষক গোটৰ এই সফলতাই ছাত্ৰ-ছাত্ৰীসকলক উদ্বুদ্ধ কৰিব বুলি জনাই সকলোকে ধন্যবাদ জনায়। ■



## 'মৰিয়ম ৰ'মেন ডেভেল'পমেন্ট চেন্টাৰ'ত সৰুপথাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° প্ৰাপ্তি ঠাকুৰ

১৪ ডিচেম্বৰ, ২০২৪ তাৰিখে সৰুপথাৰৰ 'মৰিয়ম ৰ'মেন ডেভেলপমেন্ট চেন্টাৰ'ৰ (এটি বৃত্তিমূলক প্ৰশিক্ষণ কেন্দ্ৰ)ত সৰুপথাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° প্ৰাপ্তি ঠাকুৰ উপস্থিত থাকে। কেন্দ্ৰটোৰ তত্বাৱধায়ক ছিষ্টাৰ এগনেছৰ নিমন্ত্ৰণ ক্ৰমে প্ৰশিক্ষণ কেন্দ্ৰত 'প্ৰমাণ-পত্ৰ বিতৰণ' কাৰ্যসূচীত অংশগ্ৰহণ কৰাৰ লগতে ছাত্ৰীসকলৰ দ্বাৰা তৈয়াৰী বিভিন্ন সামগ্ৰীৰ এখনি প্ৰদৰ্শনী মুকলি কৰে অধ্যক্ষগৰাকীয়ে। সৰুপথাৰ ডন বস্ক' হাইস্কুলৰ অধ্যক্ষ মহোদয়ৰ সৈতে এই অনুষ্ঠানত ফাদাৰ নৰবৰ্টে ডাঙৰীয়াও উপস্থিত আছিল। উপস্থিত আছিল ছিষ্টাৰ এগনেছ, শিক্ষক-শিক্ষয়িত্ৰী, অভিভাৱকসকল। ■



## সৰুপথাৰ মহাবিদ্যালয়ত প্ৰাক্ ভোগালী উদ্‌যাপন

৯ জানুৱাৰী, ২০২৫ তাৰিখে সৰুপথাৰ মহাবিদ্যালয়ৰ "আনন্দ কুটীৰ" প্ৰাংগণত শিক্ষক, কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰী, অতিথি আৰু শুভাকাংক্ষীসকলৰ সহযোগত প্ৰাক্ ভোগালী উদযাপন কৰা হয়। ছাত্ৰ-ছাত্ৰীসকলে অতি উলহমালহেৰে আনন্দ কুটীৰৰ ঢেঁকীত চাউল খুন্দি চুঙা পুৰি, পিঠা প্ৰস্তুত কৰি জা-জলপানেৰে অভ্যাগতসকলক আপ্যায়ন কৰে। মহাবিদ্যালয়খনে অসমীয়াৰ বাপতি সাহোন ভোগালীক আদৰাৰ প্ৰয়াস কৰিছে পোন



প্ৰথমবাৰৰ বাবে। সাজি উলিয়াইছে এটি মেজি, ছাত্ৰ-ছাত্ৰীসকলে টেকেলি ভঙা প্ৰতিযোগিতা এখনিও সম্পন্ন কৰে। উল্লেখযোগ্য যে প্ৰাক্ ভোগালী উদ্‌যাপনৰ দিনটোতেই মহাবিদ্যালয়ৰ উৎপাদিত গামোচাৰে নিমন্ত্ৰিত অতিথি বিশিষ্ট নাট্যকাৰ সপোনজ্যোতি ঠাকুৰ আৰু সন্মানীয় বিধায়ক বিশ্বজিৎ ফুকনক আদৰণি জনোৱা হয়। মহাবিদ্যালয়ত ডনি সন্দিকৈৰ পৰিচালনাত চলি থকা এমহীয়া নাটকৰ কৰ্মশালাটিৰ উপস্থিত হৈ শ্ৰীযুত ঠাকুৰে ছাত্ৰ-ছাত্ৰীৰ সৈতে মতবিনিময় কৰে। মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ সুগায়ক আশিস বণিকৰ গীতে প্ৰাক্ ভোগালীৰ শীতৰ সন্ধিয়াটি উমাল কৰি তোলে।

উল্লেখযোগ্য যে মহাবিদ্যালয়ৰ অধ্যক্ষৰ প্ৰচেষ্টাত "আনন্দ কুটীৰ" নামেৰে বাঁহ-খেৰৰ এটি গৃহ নিৰ্মাণ কৰি অসমীয়া চহা সমাজ জীৱনক প্ৰতিফলিত কৰিবলৈ চেষ্টা কৰিছে। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক অসমীয়া সমাজ জীৱনৰ পৰম্পৰাগত সামগ্ৰীসমূহ চিনাকী কৰাৰ এক প্ৰয়াস কৰিছে। ঢেঁকী, জুহাল, বাঁহ-বেতৰ সামগ্ৰীৰ লগতে বহু পুৰণি সম্পদ কেইপদো "আনন্দ কুটীৰ"ত উপলব্ধ কৰিছে। ইয়াৰোপৰি আনন্দ কুটীৰ প্ৰাঙ্গনত জৈৱিকভাৱে পাচলিৰ খেতিও কৰিবলৈ চেষ্টা কৰা হৈছে।■

## ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ আন্তঃমহাবিদ্যালয় যুৱ-মহোৎসৱত সাতোটিকৈ পুৰস্কাৰ অৰ্জন সৰুপথাৰ মহাবিদ্যালয়ৰ

যাত্ৰা অসীম অনন্ত
ছাত্ৰ-ছাত্ৰীৰ সাফল্য....

২১ জানুৱাৰীৰ পৰা ২৪ জানুৱাৰীলৈকে নামতিৰ শ্বহীদ পিয়লি ফুকন মহাবিদ্যালয়ত অনুষ্ঠিত হৈছিল ২০২৫ বৰ্ষৰ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ আন্তঃ মহাবিদ্যালয় যুৱ মহোৎসৱ। সৰুপথাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে যুৱ মহোৎসৱত অংশ গ্ৰহণ কৰি সাতোটিকৈ পুৰস্কাৰ অৰ্জন কৰি মহাবিদ্যালয়ৰ লগতে সৰুপথাৰ সমজিলা অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই আনিছে। দুলেশ্বৰ শইকীয়াই অসমীয়া কবিতা আবৃত্তিত ২য় স্থান লাভ কৰে, আনন্দ তাঁতীয়ে আধুনিক গীতত ৩য় স্থান, দুলেশ্বৰ শইকীয়া আৰু দ্বিজু গগৈয়ে যুটীয়াভাৱে কুইজত অংশ গ্ৰহণ কৰি ২য় শ্ৰেষ্ঠ দলৰ সন্মান লাভ কৰিবলৈ সক্ষম হয়।



যুৱ মহোৎসৱৰ সৈতে সংগতি ৰাখি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ছাত্ৰ একতা সভাই আয়োজন কৰা সাহিত্য প্ৰতিযোগিতাত দুলেশ্বৰ শইকীয়াই প্ৰবন্ধ প্ৰতিযোগিতাত প্ৰথম লাভ কৰাৰ সমান্তৰালকৈ চলচ্চিত্ৰ সমালোচনা আৰু গ্ৰন্থ সমালোচনাত দ্বিতীয় স্থান লাভ কৰিবলৈ সক্ষম হৈছে। প্ৰিয়ংকা বৰাই গল্প সংকলনত দ্বিতীয় স্থান অধিকাৰ কৰি সৰুপথাৰ মহাবিদ্যালয়খনক গৌৰৱান্বিত কৰিছে। ছাত্ৰ-ছাত্ৰীসকলৰ এই সফলতাত মহাবিদ্যালয়ৰ অধ্যক্ষৰ লগেত মহাবিদ্যালয়ৰ পৰিয়ালবৰ্গই প্ৰত্যেকগৰাকীক আন্তৰিক অভিনন্দন জ্ঞাপন কৰে। ২০২৫ বৰ্ষৰ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ আন্ত:মহাবিদ্যালয় যুৱ মহোৎসৱত সৰুপথাৰ মহাবিদ্যালয়ৰ তত্বাৱধায়ক হিচাপে আছিল সন্মানীয় তত্বাৱধায়ক শিক্ষকদ্বয় শ্ৰীপ্ৰশান্ত পোদ্দাৰ আৰু ড° তানিশ্বা গগৈ।■

## ছাত্ৰ-একতা সভাৰ উদ্যোগত অনুষ্ঠিত হ'ল ২০২৫ বৰ্ষৰ 'মহাবিদ্যালয় সপ্তাহ'

সৰুপথাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-একতা সভাৰ উদ্যোগত ২৫ জানুৱাৰী, ২০২৫ৰ পৰা ১ ফেব্ৰুৱাৰীলৈকে সৰুপথাৰ মহাবিদ্যালয়ত অনুষ্ঠিত হয় বাৰ্ষিক 'মহাবিদ্যালয় সপ্তাহ'। 'মহাবিদ্যালয় সপ্তাহ'ৰ প্ৰথম দিনা পুৱা পতাকা উত্তোলন কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° প্ৰাপ্তি ঠাকুৰে। অধ্যক্ষগৰাকীয়ে মহাবিদ্যালয়ৰ পতাকা উত্তোলন কৰি ছাত্ৰ একতা সভাৰ উদ্যোগত অনুষ্ঠিত হোৱা বাৰ্ষিক 'মহাবিদ্যালয় সপ্তাহ' সম্পৰ্কে চমুকৈ ভাষণ প্ৰদান কৰে। মহাবিদ্যালয়ৰ উপাধ্যক্ষ শ্ৰীযুত জয়ন্ত বৰাই শ্বহীদ বেদীত বন্তি প্ৰজ্বলন কৰাৰ সমান্তৰালৈক ছাত্ৰ একতা সভাৰ সভাপতি ঋতুপৰ্ণ শ্ৰেষ্ঠই ছাত্ৰ একতা সভাৰ পতাকা উত্তোলন কৰে।

বিগত বৰ্ষৰ বাৰ্ষিক ক্ৰীড়া সপ্তাহৰ শ্ৰেষ্ঠ খেলুৱৈ বিক্ৰম বসুমতাৰী আৰু ঋতুপৰ্ণা খাখলাৰীয়ে অলিম্পিক শিখা প্ৰজ্বলন কৰি ক্ৰীড়া সপ্তাহৰ প্ৰতিযোগিতাসমূহ শুভাৰম্ভ কৰে। ছাত্ৰ একতা সভাৰ উদ্যোগত অনুষ্ঠিত হোৱা কেইবাটাও শিতানত সম্পন্ন হয় প্ৰতিযোগিতাসমূহ। ক্ৰীড়া, সাহিত্য, সংগীত, নৃত্য ইত্যাদি প্ৰতিযোগিতাৰে অনুষ্ঠিত হয় বাৰ্ষিক 'মহাবিদ্যালয় সপ্তাহ'।■

## বিনামূলীয়া স্বাস্থ্য পৰীক্ষা

ডিচেম্বৰ মাহৰ ২য়টো শনিবাৰ ১৪ ডিচেম্বৰ২০২৪ তাৰিখে সৰুপথাৰ মহাবিদ্যালয়ৰ উদ্যোগত আৰু সৰুপথাৰ সমজিলা প্ৰাথমিক চিকিৎসা কেন্দ্ৰৰ সহযোগত টেঙাহোলাৰ লতাজুৰি গাঁৱত বিনামূলীয়া



চিকিৎসা সেৱা আগবঢ়োৱা হয়। সমান্তৰালকৈ ১১-০১-২০২৫ তাৰিখে ১ নং টেঙাহোলা প্ৰাথমিক বিদ্যালয়ত সৰুপথাৰ মহাবিদ্যালয়ৰ সমল কেন্দ্ৰ (Resource Centre)ৰ উদ্যোগত আৰু সৰুপথাৰ সমজিলা চিকিৎসা কেন্দ্ৰৰ সহযোগত বিনামূলীয়া স্বাস্থ্য পৰীক্ষা কৰা হয়।

সৰুপথাৰ মহাবিদ্যালয়ৰ উদ্যোগত আৰু সৰুপথাৰ সমজিলা চিকিৎসা কেন্দ্ৰৰ সহযোগত প্ৰত্যেক মাহতেই শেষৰটো শনিবাৰে প্ৰাথমিক বিদ্যালয়, মহাবিদ্যালয়কে ধৰি গ্ৰামাঞ্চলসমূহত বিনামূলীয়া চিকিৎসা সেৱা আগবঢ়োৱা হৈছে। ইয়াৰ যোগেদি ছাত্ৰ-ছাত্ৰীকে ধৰি দৰিদ্ৰ লোকসকলৰ ৰোগ নিৰাময়ৰ বাবে বিনামূলীয়াকৈ স্বাস্থ্য পৰীক্ষা কৰাৰ লগতে বিনামূলীয়াকৈ ঔষধ লাভ কৰিছে।■

## Walk-In Interview for ICSSR Sponsored Research Project

On January 29, 2025, the Department of Commerce, Sarupathar College, successfully conducted the walk-in interview for the selection of candidates under the ICSSR-funded research project on Jal Jeevan Mission.





The session was chaired by Dr. Sanjay Rizal (Project Director), in the esteemed presence of Dr. Prapti Thakur-Principal, Sarupathar College, Mr. Jayanta Borah-Vice Principal, Mr. Nabajyoti Goswami-Vice Principal, Dr. Ridip Khanikar- IQAC Coordinator.

Co-Project Directors Dr. Himadri Dutta - HoD, Department of Assamese, Govt. Model Degree College, Diblong, Dima Hasao, Dr. Pritom Sutradhar-Assistant Professor, Department of Commerce, Sarupathar College, Ms. Kritika Agarwal-Assistant Professor, Department of Accountancy, Mariani College. Dept. of Commerce extend heartfelt gratitude to all panel members for their valuable contributions and to the enthusiastic candidates who participated in the selection process. Looking forward to a productive and impactful research journey ahead.■

## Faculty Exchange Programme organized by the Department of Commerce



Ms. Kritika Agarwal, Assistant Professor at Mariani College, conducted a session under the Faculty Exchange Programme on 29th January 2025. The session, titled "Overview of Goods and Services Tax (GST)," aimed to provide an in-depth understanding of the GST framework, its significance, and its impact on the Indian economy."The interactive session encouraged active participation, with faculty members and students engaging in discussions on GST implementation challenges and its effects on different sectors. Ms. Agarwal effectively clarified doubts and provided practical insights, making the topic more accessible to the audience.■

## Students bring laurels in Inter-college Power lifting/ Weight lifting Competition

A total of nine students of Sarupathar College have brought laurels to the institution by winning nine medals in the Dibrugarh University Inter-College Poer Lifting, Weighjt Lifting and Best Physique Completion held from 20th December, 2024 to 22nd December, 2024 at Jhanji Hemnath Sarma College, Jhanji . In the competition Mr. Manash Pratim Sonowal won one Gold and One Bronze, Mr. Riman Kakati grabbed one Gold medal, Ms.



Rashmi Mech obtained one Gold and one Silver, Mr. Dunkham Seng Turung received one Gold medal, Ms. Asha Gogoi won one Silver, Ms. Arishma Hazarika grabbed one Silver, Mr. Ekta Turung got one ne Silver, Rajiv Sreshtha obtained one Silver and Ms. Mamu Basumatary got one Bronze medal.■

# News Capsules, January

## School Students visited College Library and Museum

A group of enthusiastic students from Haldhibari M.E. school visited the Sarupathar College and its Library and Museum accompanied by their teachers on 17th December, 2025. The students were warmly welcomed by the Principal Dr. Prapti Thakur with heartfelt words of encouragement. Afterwards they went to the library where the staff took the opportunity to enlighten them about the rich resources and facilities available at the library. During the interactive session, Dr. Bobita Dutta and Ms. Smita Chetia shared valuable insights about the library's vast collection of books, journals, and digital resources highlighting its importance as a hub of knowledge and learning. The students were undoubtedly inspired by the experience, and the visit is likely to have sparked a love for reading and exploration among them. ■

## Silpi Divas observed

The *Silpi Divas* (Artistes' day) was organized by Sarupathar College on 17th January, 2025 commemorate the death anniversary of the poet, dramatist, freedom-fighter and first Assamese film-maker Jyotiprasad Agarwal. In this connection a lecture session was organized in the Jyoti-Bishnu Mukali Mancha where distinguished social worker and poet Mr. Rajib Ballav Goswami (appointed speaker) spoke on various aspects of the versatile personality of Jyotiprasad Agarwal. Mr. Satyabrat Dutta and Mr. Sandhan Hazarika, Assistant Professors of the Department of History also spoke on the occasion which was anchored by Dr. Bobita Dutta, Assistant Professor of Assamese. ■

## Awareness Programme on HIV/AIDS

An awareness programme on HIV and AIDS was organized by the Red Ribbon Club in collaboration with IQAC, Sarupathar College on 1st December,2024. Mr. Sandhan Hazarika, the co-ordinator of the Red Ribbon Club spoke on different aspects of the sexually transmitted diseases including AIDS and the precautions and measures to be taken for preventing of the diseases in a meeting attended by several teachers and a large number of students . ■

## MoU with PHE executed

An MoU (Memorendum of Understanding) was executed between Sarupathar College and Public Health Engineering, Golaghat Division in a brief meeting held in the Principal's chamber on on 3rd December, 2024.n

## One month workshop on dress designing organised

A one month workshop on dress designing was organized by IQAC, Sarupathar College from 3rd December, 2024 where Resource Person Ms. Kaberi Khanikar imparted hands on training to almost 30 students enrolled for the course.■

## Collaboration in organizing International Seminar

Under the initiative of Social Development Forum, the Sankardeva International Conclave commenced on 6th Dec, 2024 to 8th December,2024 in Golaghat District Library and gladly enough Sarupathar College was a collaborative institution in this regard. The college's joint venture was fruitful and it was a matter of immense pleasure for the college fraternity.■

## Teachers Shine in Badminton Competition

Four teachers of Sarupathar College, namely, Mr. Hemanta Gogoi, Mr. Parag Bhuyan. Dr. Tanisha Gogoi and Ms. Anjali Yadav have glorified the institution by obtaining awards in the Golaghat District Inter-College Teachers and Employees Badminton Competition held at Dergaon Kamal Dowerah College, Dergaon on 18th December, 2024. In the competition Mr. Hemanta Gogoi and Mr. Parag Bhuyan won the Runner Up trophy in Men's Doubles while Dr. Tanisha Gogoi and Ms. Anjali Yadav grabbed Runner up Trophy in Women's Doubles.■

## Book distribution by district administration

The Golaghat district administration handed over a good number of important books dealing with competitive examinations to Sarupathar College in a function held on 11th December,2024. The function was attended by officers of the office of the Superintendant of Police, Golaghat and the Vice Principals and several faculty members of Sarupathar College.■

# News Capsules, February

## National Voters' Day

The National Voters' Day was organized by Department of History and IQAC, Sarupathar College in collaboration with Civil Administration. Dhansiri Co-District. The Resource Person Mr. Satyabrat Dutta, Head of the Department of History explained the relevance of the day among the students in a meeting held in the college Conference Hall on 24th January,2025. Mr. Priyam Phukan, Assistant Commissioner cum District Election Officer also spoke on the occasion.■

## HS Final examination centre committee formed

With a view to ensuring smooth conduct of the forthcoming Higher Secondary Final Examination and as per guidelines of the Assam State School Education Board, a centre committee was constituted with Dr. Prapti Thakur (Principal) as Centre-in-Charge, Mr. Siddheswar Saikia (President, Governing Body) as president, Mr. Jayanta Bora (Vice Principal), Mr. Nabajyoti Goswami (Vice Principal) and Mr. Parag Bhuyan as Assistant Centre-in-Charge (Management) and Dr. Premkanta Borah as Assistant Centre-in-Charge (Confidential) in a meeting held in the Conference Hall on 28th January,2025.■

## Preparations for diploma course in Advance Fish farming

Sarupathar College proudly introduces a new and exciting opportunity: the Advanced Fish Farming Course. This one-year certificate program is designed to equip students with practical skills and knowledge to thrive in the growing aquaculture industry, empowering individuals to contribute to sustainable fish farming practices and local economic development. Approved by Assam Agricultural University and with technical support from College of Fisheries, Raha the course will help the unemployed youth of the locality in ensuring self Employment Opportunities. Sarupathar College has already completed its preparations for starting the course toward the end of February or early March, 2025. Interested persons can contact Dr. Prapti Thakur, Principal, Sarupathar College (7002086042), Mr. Satyabrat Dutta, Assistant Professor (8638148188), Dr. Ridip Khanikar, Assistant Professor (9401105383), Mr. Pranjal Dutta, Assistant Professor ( 7896446525), Dr. Sanjay Rizal, Assistant Professor (7896750855) and Mr. Ajay Kanoi, Entrepreneur (8811086979).■







সৰুপথাৰ মহাবিদ্যালয়ত অনুষ্ঠিত শিল্পী দিৱসত নিৰ্দিষ্ট বক্তা শ্ৰী যুত ৰাজীৱ বল্লভ গোস্বামী



মহাবিদ্যালয়ৰ তাঁতশালত উৎপাদিত গামোচা



৭৬ সংখ্যক গণৰাজ্য দিৱস উদযাপন




সৰুপথাৰ মহাবিদ্যালয়ৰ এন চি চি গোটে 'শ্ৰেষ্ঠ দল'



School Students visited College Library and Museum




মহাবিদ্যালয় সপ্তাহৰ কিছু আলোকচিত্ৰ



ছাত্ৰ-ছাত্ৰীৰ সাফল্য


প্ৰতিবিম্ব ই-বাৰ্তাৰ এই সংখ্যাৰ
উপদেষ্টাঃ ড° প্ৰাপ্তি ঠাকুৰ
সম্পাদকঃ ড° অমৰ শইকীয়া
সম্পাদক (ইংৰাজী শাখা)ঃ প্ৰাঞ্জল দত্ত
সহঃ সম্পাদকঃ যুগল মেধি
কাৰিকৰী ব্যৱস্থাপনাঃ যুগল মেধি